# ডিব্ৰু মহাবিদ্যালয়ত 'জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যান'ৰ প্ৰশাসনিক ভৱনৰ আধাৰশিলা

ডিব্ৰুগড় ঃ ২ ডিচেম্বৰ ঃ আজি ডিব্ৰু মহাবিদ্যালয় প্ৰাংগণত 'জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যান' দ্বাৰা নিৰ্মাণ হ'বলগীয়া 'লক্ষ্মীনাৰায়ণ কানৈ প্ৰশাসনিক ভৱন'ৰ আধাৰশিলা স্থাপন কৰে কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনৰ ১ কোটি টকাৰ অৰ্থ সাহায্যৰে নিৰ্মাণ হ'বলগীয়া ভৱনটোৰ 'ভূমি-পূজন' সম্পন্ন হোৱাৰ পাছতে সভাত ভাগ লয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। সভাৰ আৰম্ভণিতে মংগলাচৰণ কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অদিতি বৰুৱাই। ফাউণ্ডেশ্যনৰ হৈ উদ্যোগপতি জ্যোতি কানৈ আৰু ললিতা কানৈ উপস্থিত থকা সভাখনত অতিথি হিচাপে ভাগ লয় স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, ডিব্ৰুগড়ৰ পৌৰপতি ডাঃ সৈকত পাত্ৰ, অসম গেছ কোম্পানীৰ উপ-সভাপতি ইন্দ্ৰ গগৈ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, শিক্ষাবিদ ড° প্ৰদীপ কুমাৰ বৰুৱা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা অধ্যাপিকা চন্দনা গগৈয়ে। ৰুছাৰ অনুদানেৰে নৱনিৰ্মিত শৈক্ষিক ভৱন মুকলি কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। 'জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যান'ৰ হৈ সম্পন্ন কৰা কল্যাণমূলক কাম-কাজ সম্পৰ্কে আলোকপাত কৰে উদ্যোগপতি জ্যোতি কানৈয়ে। আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰদীপ কুমাৰ বৰুৱাই আৰু সভাখন যুটীয়াভাৱে আঁত ধৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা নন্দিতা বৈশ্য আৰু অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° মৌচুমী দত্তই। শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে।